# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 01-11-2024

**Time :** 0900 Hrs

# *Assamese Morning Bulletin*

**- - - - - - - - - - - - -**

১। ৰাজ্যৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিকত বিদ্যালয়ত পুনৰ ৯ হাজাৰ নতুন শিক্ষক নিযুক্তি দিয়া হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ঘোষণা।

২। কৃষিমন্ত্ৰী অতুল বৰাৰ উপস্থিতিত আজিৰ পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটকৰ বাবে হাতী ছাফাৰী মুকলি।

৩। খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত এই মাহৰ বাবে চৰকাৰৰ অন্ন সেৱা দিন ঘোষণা।

*আৰু*

৪। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত আজি ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল।

০০০০০

অহা বছৰৰ মে' মাহৰ ভিতৰত ৰাজ্যৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিকত বিদ্যালয়ত পুনৰ ৯ হাজাৰ নতুন শিক্ষক নিযুক্তি দিয়া হ'ব। ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ শুভাৰম্ভণি অনুষ্ঠানত অংশ লৈ শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে কালি এই কথা প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে ইতিমধ্যে এই নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। তেওঁ লগতে ৰাজ্যত প্ৰথম বাৰৰ বাবে সুকীয়াকৈ গণিত বিষয়ৰ শিক্ষক নিযুক্তি নিয়াৰ কথাও ঘোষণা কৰে। এই সন্দৰ্ভত শিক্ষামন্ত্ৰী পেগুৱে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰে অনুমোদন জনোৱা বুলি উল্লেখ কৰি সম্পূৰ্ণ মেধাৰ ভিত্তিত এই নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব বুলি কয়।

০০০০০০

সমগ্ৰ দেশৰ লগতে অসমতো পোহৰৰ উৎসৱ দীপাৱলী পালন কৰা হৈছে। এই উৎসৱ অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ৰ প্ৰতীক। এই উপলক্ষে জনসাধাৰণে ধন, ঐশ্বৰ্য্যৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী আৰু ভগৱান গণেশৰ পূজা-অৰ্চনা কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দীপাৱলী উপলক্ষে আজি তিনিচুকীয়া জিলা ভ্ৰমণ কৰিব। মন্ত্ৰীগৰাকীয়ে আন কেইবাটাও কাৰ্যসূচীৰ লগতে দিনৰ প্ৰায় ১২ বজাত তিনিচুকীয়া নগৰৰ ডেইলী বজাৰ শ্যামা পূজাত ভাগ ল'ব। এই সন্দৰ্ভত আমাৰ তিনিচুকীয়াৰ সংবাদদাতা মনোৰঞ্জন মৰাণে কয় –

*-ভইচ কাষ্ট-*

ইফালে, মন্ত্ৰীগৰাকীয়ে কালি ডিব্ৰুগড়ৰ বাসগৃহত বন্তি প্ৰজ্বলন কৰি পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰে। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়ৰ মিলন নগৰৰ মিলনজ্যোতি সংঘত উপস্থিত হৈ স্থানীয় লোকসকলৰ সৈতে মত বিনিময় কৰে।

লখিমপুৰ জিলাতো উলহ-মালহেৰে পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰা হয়। জিলাখনত সাধাৰণ জনতাই ঘৰে ঘৰে বন্তি জ্বলোৱাৰ সমান্তৰালকৈ ৰাজহুৱা মন্দিৰ দেৱালয় আদিতো বন্তি প্ৰজ্বলন কৰে। আনহাতে কালি পূজা উপলক্ষে লখিমপুৰ চহৰৰ গোপী নগৰৰ হৰি মন্দিৰত মহিলাৰ প্ৰতি সন্মান আৰু কন্যা শিশুক সুৰক্ষা বিষয় বস্তুৰে কালীপূজা উদযাপন কৰা হয়। এই সন্দৰ্ভত আমাৰ লখিমপুৰৰ সংবাদদাতা হিমাদ্ৰী দিহিঙিয়াই কয় –

*-ভইচ কাষ্ট-*

০০০০০

দেশৰ অন্যান্য প্ৰান্তৰ লগতে কালি ৰাজ্যৰ বিভিন্ন স্থানতো ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত আয়োজিত ৰাষ্ট্ৰীয় একতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি এই দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ১০ বছৰে চৰ্দাৰ বল্লভ ভাই পেটেলৰ নীতি আৰু প্ৰমূল্যৰে সমগ্ৰ ৰাষ্ট্ৰক একতাৰ ডোলেৰে বান্ধিবলৈ নিৰন্তৰ প্ৰচেষ্টা চলাই আছে বুলি শ্ৰীসোণোৱালে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **এক ভাৰত শ্ৰেষ্ঠ ভাৰত** নীতিৰ বিষয়ে উনুকিয়াই শ্ৰীসোণোৱালে কয় যে যি পথেৰে আগবাঢ়িবলৈ চৰ্দাৰ বল্লভ ভাই পেটেলে শক্তি দিছে, দিশ আৰু দৰ্শন দেখুৱাইছে সেই একেই পথেৰে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত দেশ বিকাশৰ পথত আগবাঢ়িছে। শ্ৰীমোদীৰ নেতৃত্বত প্ৰতিটো বৰ্গৰ লোককে সন্মান সহকাৰে জীয়াই থকাৰ মৰ্যাদা প্ৰদান কৰি ভাৰত বৰ্তমান পঞ্চম বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হৈছে বুলিও মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰে।

গোলাঘাট জিলাতো জিলা প্ৰশাসন আৰু গোলাঘাট আৰক্ষীয়ে ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে চহৰখনত শোভাযাত্ৰাৰ লগতে বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে। একেদৰে যোৰহাট জিলাতো জিলা প্ৰশাসন, জিলা আৰক্ষী, চি আৰ পি এফ আদিকে ধৰি বিভিন্ন সংস্থাৰ উদ্যোগত ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন কৰা হৈছে।

০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই উৎসৱ উপলক্ষে জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি অতিৰিক্ত ৮ খন বিশেষ ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে। উৎসৱৰ সময়ছোৱাত যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি অতিৰিক্ত ৮ খন ৰে'লৰ ব্যৱস্থা কৰা হৈছে বুলি মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই জানিবলৈ দিয়ে। নিউ জলপাইগুৰিৰ পৰা গোমতীনগৰ, ৰাঁচিৰ পৰা পুৰ্ণীয়া কৰ্ট, কাটিহাৰৰ পৰা গোমতীনগৰ, টাটানগৰ জংছনৰ পৰা কাটিহাৰ, গুৱাহাটীৰ পৰা গোমতীনগৰ, চণ্ডিগড়ৰ পৰা কাটিহাৰ, আগৰতলাৰ পৰা ধৰ্মানগৰ আৰু আগৰতলাৰ পৰা ছাব্ৰুমলৈ বিশেষ ৰে'লৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিৰে পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী মুকলি কৰা হৈছে। কৃষিমন্ত্ৰী অতুল বৰাই কঁহৰা বনাঞ্চলৰ মিহিমুখত ফিটা কাটি আনুষ্ঠানিকভাৱে হাতী ছাফাৰী মুকলি কৰে। পৰম্পৰাগত হস্তি পূজাৰে পুৰা ২০২৪-২৫ পৰ্যটন বৰ্ষৰ হাতী ছাফাৰী মুকলি কৰা হয়। বাগৰি বনাঞ্চলতো আজিৰে পৰা ব্যক্তিগত হাতী ছাফাৰী আৰম্ভ হৈছে। হাতী ছাফাৰী মুকলি হোৱাৰ প্ৰথম দিনটোতে কঁহৰা বনাঞ্চলৰ ১০টা হাতীত বেলজিয়াম, আমেৰিকা, ইংলেণ্ডৰ পৰ্যটককে ধৰি মুঠ ৩০ গৰাকী পৰ্যটকে হাতী ছাফাৰী কৰে। উল্লেখযোগ্য যে, যোৱা ১ অক্টোবৰৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনত বন বিভাগে জীপ চাফাৰী মুকলি কৰিছিল। উদ্যান কৰ্তৃপক্ষই জনোৱা মতে, অক্টোবৰ মাহত ২৮ হাজাৰ ৯৮০ গৰাকী পৰ্যটকে ৰাষ্ট্ৰীয় উদ্যানখনত জীপ ছাফাৰী কৰে।

ইয়াৰে ভাৰতীয় পৰ্যটক ২৮ হাজাৰ ৪০১ গৰাকী আৰু বিদেশী পৰ্যটকৰ সংখ্যা হৈছে ৫৭৯ গৰাকী। ইপিনে, ২০২৪-২৫ বৰ্ষৰ বাবে নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প যোৱা ৩০ অক্টোবৰত দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। পশ্চিম অসম বন্যপ্ৰাণী বিভাগৰ বন সংৰক্ষক তথা নামেৰী ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ পৰিচালকে এই বিষয়ে জানিবলৈ দিয়ে।

০০০০০০

খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ জনমুখী প্ৰয়াস অন্ন সেৱা দিন এই মাহৰ বাবে আজিৰ পৰা ১০ নৱেম্বৰলৈ ঘোষণা কৰা হৈছে। ৰাজ্যৰ মুঠ ৬৭ লাখ ২ হাজাৰ ৫৪টা পৰিয়ালৰ ২ কোটি ৩০ লাখৰো অধিক হিতাধিকাৰীয়ে এই আঁচনিৰ অধীনত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰিব পাৰিব। আনহাতে, সুলভ মূল্যৰ দোকানীসকলক অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰ চলোৱা আৰু নিৰ্ধাৰিত দিনকেইটাত দোকান খোলা ৰাখি হিতাধিকাৰীসকলক প্ৰাপ্য চাউল বিতৰণ নিশ্চিত কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০

কাৰ্বি স্বায়ত্ত শাসিত পৰিষদৰ আমৰি সমষ্টিৰ উলুকুঞ্চি তিৱা সাংস্কৃতিক চৌহদত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ১৭ সংখ্যক লাংখন উৎসৱৰ কালি সামৰণি পৰে। তিৱা পৰম্পৰাগত লোককৃষ্টিৰ সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে এই উৎসৱ পালন কৰা হয়। সামৰণি অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ কলা আৰু সংস্কৃতি বিভাগৰ কাৰ্যবাহী সদস্যগৰাকী মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০

ৰাজ্যত অহা ১৩ নৱেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ বাবে এতিয়ালৈকে ৪৯ লাখতকৈও অধিক পঞ্জীয়ন সম্পন্ন হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খেলৰ প্ৰতি থকা এনেধৰণৰ অভূতপূৰ্ব সঁহাৰিয়ে অসমৰ ক্ৰীড়া সংস্কৃতিক উৎসাহ যোগোৱাৰ লগতে ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰৰ বিকাশক প্ৰতিফলিত কৰিছে বুলি সামাজিক মাধ্যমযোগে অৱগত কৰিছে। এইবাৰৰ খেল মহাৰণ প্ৰতিযোগিতা এথলেটিকছ, ফুটবল, ভলীবল, দবা, সাঁতোৰ, কাবাডী আৰু চাইক্লিং এই ৭টা শাখাত অনুষ্ঠিত হ'ব। খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ বাবে পুৰুষৰ সমানে মহিলাসকলেও নিজৰ নাম পঞ্জীয়নভুক্ত কৰিছে। এইপৰ্যন্ত ২২ লাখৰো অধিক মহিলাই খেল মহাৰণৰ বাবে পঞ্জীয়ন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমত জনপ্ৰিয় শিল্পী অংগৰাগ মহন্তৰ খেল মহাৰণ ২.০ৰ উদ্দেশ্য আৰু যোৱা সংস্কৰণৰ সফলতাক সামৰি ক্ৰীড়ানুৰাগীসকলৰ জ্ঞাতাৰ্থে আগবঢ়োৱা এটা বিশেষ বাৰ্তা শ্বেয়াৰ কৰি ক্ৰীড়া আৰু প্ৰতিভাৰ এই বিশেষ উদযাপনত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুকসকলক আহ্বান জনায়। এই সন্দৰ্ভত অংগৰাগ মহন্তই কয় -

**বাইট (অংগৰাগ মহন্ত)**

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত গড় চিকাৰৰ উদ্দেশ্যে প্ৰৱেশ কৰা দুটা চোৰাং চিকাৰীক বন বিভাগে কালি গ্ৰেপ্তাৰ কৰে। ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষে জনোৱা মতে উদ্যানখনৰ উত্তৰ দিশে চোৰাংচিকাৰী দুটাই গড় চিকাৰৰ উদ্দেশ্যে প্ৰৱেশ কৰাৰ পৰিকল্পনা কৰিছিল। গোপন সূত্ৰৰ ভিত্তিত এই তথ্য লাভ কৰি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বিশ্বনাথ আৰক্ষীৰ সহযোগত চোৰাংচিকাৰী দুটাক গ্ৰেপ্তাৰ কৰে। ধৃত চোৰাংচিকাৰী দুটা হৈছে ৰছিদুল হক আৰু শিৰে আলী।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাতত অনুষ্ঠানত সতৰ্কতা সপ্তাহ সন্দৰ্ভত আলোচনা কৰা হ'ব। এই অনুষ্ঠানত তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান সুৰেন্দ্ৰ কুমাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

00000

কাৰ্বি সম্প্ৰদায়ৰ ধৰ্মীয় অনুষ্ঠান ৰংকেৰ কাৰ্কলী বা ৰংকেৰ পূজাত প্ৰতি বছৰে ৫ জানুৱাৰীত ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে সীমিত বন্ধৰ দিন ঘোষণা কৰা হৈছে। এই সন্দৰ্ভত চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে ৰাজ্যপালৰ অনুমোদন মৰ্মে এখন অধিসূচনা জাৰি কৰিছে। ইফালে গাৰো সম্প্ৰদায়ৰ উৎসৱ ৱাং আলা উপলক্ষে ৭ নৱেম্বৰতো ৰাজ্যৰ কৰ্মচাৰীসকলে সীমিত বন্ধৰ সুবিধা লাভ কৰিব।

000000

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। আলহী নিউজিলেণ্ড দলে ইতিমধ্যে বাংগালুৰু আৰু পুনেত অনুষ্ঠিত প্ৰথম দুখন খেলত জয় লাভ কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। ভাৰতীয় দলে এই খেলখনত জয়লাভ কৰি প্ৰথমবাৰৰ বাবে দেশৰ মাটিত টেষ্ট ক্ৰিকেট শৃংখলাৰ আটাইকেইখন খেলত পৰাজয়ৰ গ্লানিৰ পৰা ৰক্ষা পৰাৰ চেষ্টা চলাব। ভাৰতৰ বিশ্ব টেষ্ট ছেম্পিয়নশ্বিপৰ ফাইনেলত স্থান নিশ্চিত কৰাৰো হেঁচা থাকিব। বিশ্ব টেষ্ট ছেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশৰ বাবে আৰু ৬ খন খেলৰ ফলাফল গুৰুত্বপূৰ্ণ হ'ব। ইয়াৰে ৫ খন খেল অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'ব। ভাৰতে অহা বছৰ জুনত লৰ্ডছত হ'বলগীয়া বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত দৌৰত বৰ্তি থাকিবলৈ হ'লে কমেও চাৰিখন খেলত জয় লাভ কৰিব লাগিব।

00000

আই পি এলৰ পৰৱৰ্তী সংস্কৰণৰ বাবে ৰাজস্থান ৰয়েলছে অসমৰ ৰিয়ান পৰাগক ১৪ কোটি টকাত পুনৰ চুক্তিবদ্ধ কৰিছে। ২০২২ বৰ্ষত ৰিয়ান পৰাগক ৰাজস্থান ৰয়েলছে ৩ কোটি ৮০ লাখ টকাত চুক্তিবদ্ধ কৰিছিল। কিন্তু যোৱা বছৰ ৰিয়ান পৰাগে আই পি এলত উন্নত প্ৰদৰ্শন কৰাৰ লগতে ভাৰতীয় জাতীয় দলত স্থান লাভ কৰাৰ পিছতে তেওঁৰ গুৰুত্ব বৃদ্ধি পাই। বৰ্তমানলৈ ৭০ খন আই পি এল মেচত ভাগ লোৱা ৰিয়ান পৰাগে যোৱা বছৰ প্ৰদৰ্শনৰ জৰিয়তে ভাৰতীয় ক্ৰিকেট আগশাৰীৰ খেলুৱৈ হিচাপে পৰিচিত হৈছে। ৰিয়ান পৰাগৰ সমান্তৰালকৈ ৰাজস্থান ৰয়েলছে সঞ্জু ছেমচন, যশশ্ৰী জয়ছোৱাল, ধ্ৰুৱ জুৰেল, ছিমৰণ হেটমেৰৰ আৰু সন্দীপ শৰ্মাক পুনৰ চুক্তিবদ্ধ কৰিছে।

ইপিনে, চেন্নাই ছুপাৰ কিংছে ভাৰতীয় দলৰ প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনীক পুনৰ আন এটা সংস্কৰণৰ বাবে দলত অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লৈছে। মুম্বাই ইণ্ডিয়ানছে ৰোহিত শৰ্মা, যশপ্ৰীত বুমৰাহ, হাৰ্দিক পাণ্ডিয়াক দলত ৰাখিছে। গুজৰাট টাইটানছে ৰছিদ খানক ১৮ কোটি, চানৰাইজাৰ্ছ হায়দৰাবাদে হেন্‌ৰিক ক্লাছেনক ২৩ কোটি, আৰ চি বিয়ে বিৰাট কোহলীক ২১ কোটি, লক্ষ্ণৌ চুপাৰ জায়েণ্টছে নিকোলাচ পুৰাণক ২১ কোটি, চেন্নাই চুপাৰ কিংছে ৰুতুৰাজ গাইকোৱাড আৰু ৰবীন্দ্ৰ জাদেজাক ১৮ কোটি টকাত পুনৰ চুক্তিবদ্ধ কৰিছে।

00000

গুজৰাটত অনুষ্ঠিত ৰাষ্ট্ৰীয় একতা দিৱসত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা, সমাগত উপ নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ কুচ-কাৱাজ, সমগ্ৰ দেশৰ লগতে ৰাজ্যত দীপাৱলী উদযাপন, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ তেজপুৰ ভ্ৰমণ আদি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰধান বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা দেখা গৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি গুজৰাটত ৰাষ্ট্ৰীয় একতা দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। এই ঘোষণাসমূহক ভিন ভিন শিৰোনামেৰে গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **একতা দিৱসত গুজৰাটত প্ৰধানমন্ত্ৰীৰ ঘোষণা, উমৈহতীয়া দেৱানি বিধিও হ'ব বলৱৎ ঃ অচিৰেই এক দেশ, এক নিৰ্বাচন** শিৰোনামেৰে বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দ্যা ছেণ্টিনেল** কাকতেও এই বাতৰিটোক প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে এই বাতৰিটোৰ সমান্তৰালকৈ ৰাজ্যত বিৰোধী ঐক্যক লৈ কংগ্ৰেছ নেতা ভূপেন বৰা আৰু গৌৰৱ গগৈয়ে কৰা এটা মন্তব্য প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম **২৬ৰ পূৰ্বে ৰাজ্যত আকৌ হ'ব বিৰোধী ঐক্য। নিয়মীয়া বাৰ্তা** কাকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ কচ্চত সেনা বাহিনীৰ সৈতে দ্বিপান্বিতা উদযাপন কৰি সীমান্ত সুৰক্ষাক লৈ কৰা মন্তব্যক প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম **দীপাৱলীত পাক সংলগ্ন সীমান্তত থিয় হৈ প্ৰধানমন্ত্ৰী মোদীৰ হুংকাৰ ঃ ভাৰতৰ এক ইঞ্চি ভূমিতো আপোচ নকৰো।** **দি আছাম ট্ৰিবিউন** আৰু **অসমীয়া খবৰ** কাকতেও এই বাতৰিটো প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সম্প্ৰতি ঝাৰখণ্ডৰ নিৰ্বাচনী প্ৰচাৰ ব্যস্ত আছে। ঝাৰখণ্ডৰ ৰাজনৈতিক পৰিস্থিতিক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্য তীব্ৰ বিৰোধীতা কৰিছে হেমন্ত চোৰেনে। এই বাতৰিটো **আমাৰ অসম** কাকতে **মিনি বাংলাদেশত পৰিণত হ'ব ঝাৰখণ্ড ঃ হেমন্ত বনাম হিমন্ত! ঝাৰখণ্ড তোলপাৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। মহানগৰীত উৰণ সেঁতু নিৰ্মাণৰ নামত জধে মধে গছ কঁটাৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত আছে। বিশিষ্ট চিন্তাবিদ ড০ হীৰেন গোহাঁইয়েও চৰকাৰৰ এই সিদ্ধান্তৰ প্ৰতিবাদ কৰিছে। এই বাতৰিটো **দৈনিক জনমভূমি** কাকতে **শতাধিক গছত চলিব চৰকাৰৰ কৰত ঃ খানাপাৰা, ভৰলুমুখতো বৃক্ষ ৰক্ষাৰ সংগ্ৰাম** শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে ৰাজ্যৰ মন্ত্ৰীসভা সম্প্ৰসাৰণৰ সন্দৰ্ভত প্ৰস্তুত কৰা এটা বিতং বাতৰি প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে- পিতৃ-কন্যাৰ মৃতদেহ নিলে চোচৰাই ঃ দুৰ্ঘটনাতকৈও নিৰ্মম আৰক্ষীৰ কাণ্ড, দীপাংকৰে আত্মসাৎ কৰা ধন বিনিয়োগকাৰীয়ে ঘূৰাই পোৱাৰ সম্ভাৱনা ক্ষীন, বেজবৰুৱাৰ প্ৰতিমূৰ্তি স্থানান্তৰৰ তীব্ৰ বিৰোধীতা বিশিষ্ট নাগৰিকৰ, সভাপতিৰ পদ দখলক লৈ বিতৰ্কৰ আৱৰ্তত অসম সাহিত্য সভা ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০

সমাপ্ত